৩ পৃষ্ঠাত   ৪ পৃষ্ঠাত   ১০ পৃষ্ঠাত

# অসম আদিত্য

ফাগুন, ১৯৪৭ শক ■ শনিবাৰ, ২১ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, February 21, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## যান্ত্ৰিক বুদ্ধিমত্তাৰে দেশৰ প্ৰ…

## কৃষিখণ্ডত …

## ব্যৱহাৰত গুৰুত…



নতুন দিল্লী, ২০ ফেব্ৰুৱা… কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰৰ… মোদীয়ে। বিষয়টো সন্দৰ্ভ… আৰু ডিপটেক ষ্টাৰ্ট-আপৰ… সৈতে গুৰুত্বপূৰ্ণ আলোচন…

## ৫০ বছৰত কংগ্ৰেছে…

## অনুপ্ৰৱেশকাৰী…

## অসমীয়…



নৰেন্দ্ৰ শৰ্মা কমপ্লেক্সত মাৰাপ…

## কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ সংসদৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, ২০ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS)-ৰ আঞ্চলিক কাৰ্যালয়ৰ সহযোগত অহা ২৮ ফেব্ৰুৱাৰীত 'ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬' আয়োজন কৰা হৈছে। উল্লেখ্য যে, ডিব্ৰুগড় জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ নিৰ্বাচিত প্ৰতিনিধিসকলক লৈ ৰাজ্যিক পৰ্যায়ৰ নিৰ্বাচনৰ বাবে এই যুৱ সংসদ অনুষ্ঠিত কৰাৰ প্ৰাথমিক পৰ্যায়ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ দায়িত্ব ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ে কানৈ মহাবিদ্যালয়ক অৰ্পণ কৰিছে। এই অনুষ্ঠান 'বিকশিত ভাৰত' গঢ়াৰ লক্ষ্যৰে সৰ্বভাৰতীয় পৰ্যায়ত আয়োজন কৰা হৈছে আৰু ই প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰত্যক্ষ পৰ্যবেক্ষণত অনুষ্ঠিত হ'ব। অনুষ্ঠানটোৰ দায়িত্ব লাভ কৰাত মহাবিদ্যালয় পৰিয়ালৰ মাজত এক উল্লাসময় পৰিৱেশ সৃষ্টি হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে— যুৱ সমাজৰ মাজত নেতৃত্ব গুণ বিকাশ, দক্ষতা বৃদ্ধি আৰু ৰাজনৈতিক সচেতনতা গঢ়ি তুলিবলৈ সংসদীয় কাৰ্য প্ৰণালীৰ বাস্তৱ অভিজ্ঞতা প্ৰদান কৰাই এই আয়োজনৰ মূল উদ্দেশ্য। কানৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত সফলভাৱে ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ স্বীকৃতি স্বৰূপে এই অনুষ্ঠান আয়োজন কৰাৰ দায়িত্ব কানৈ মহাবিদ্যালয়ে লাভ কৰিছে। এই 'ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬' কেৱল জিলাখনতে সীমাবদ্ধ নহয়, ই উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবেও এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমতে অনুষ্ঠিত হ'বলগীয়া এই ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬ এ মহাবিদ্যালয়খনৰ বিদ্যালয়তনিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰিব অধ্যক্ষগৰাকীয়ে আশা প্ৰকাশ কৰে। উল্লেখ্য যে আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত অনুষ্ঠানটি আয়োজন সম্পৰ্কে আলোচনা কৰাৰ লগতে এখন উদ্‌যাপন সমিতিও গঠন কৰা হয়। মহাবিদ্যালয়ৰ এন এচ এচ গোটৰ আঁচনি বিষয়া অধ্যাপক শিৱনাথ চুতীয়াই আঁত ধৰা সভাখনিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° ডেভিদ কাৰ্ডং, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপিকা ড° চন্দনা গোস্বামী, ড° অলকানন্দা বৰুৱা, এন এচ এচ গোটৰ উপদেষ্টা ড° বিৰাজ দত্ত, ড° হেমাকাঞ্চন ফুকন উপস্থিত থাকে।

ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ দ্বিতীয় দিনৰ কাৰ্যসূচীৰ অন্তৰ্গত এক গুৰুত্বপূৰ্ণ অধিবেশন The Six Yards Yarn and More শীৰ্ষক বিষয়ত সফলভাৱে সম্পন্ন হয়। অনুষ্ঠানটোত সাহিত্য, সমাজ আৰু নাৰীত্ব বিষয়ক গভীৰ আলোচনা অনুষ্ঠিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰৰ… মেহজবিন হাজৰিকাই অনুষ্ঠান… আঁত ধৰে। আলোচনাৰ সমন্বয়ক… থাকে নতুন দিল্লীৰ আয়কৰ বি… আয়ুক্ত তথা বিশিষ্ট লেখক পাৰ্বি… মূল বক্তৃতা আগবঢ়ায় কনিষ্ঠতম… সেৱাৰ বিষয়া তথা খ্যাতনামা সা… পুৰীয়ে। আলোচনাৰ মূল কেন্দ্…

## ৫১ ৰোগীক মুখ্যমন্ত্ৰী… চেʼক্ বিতৰণ শক্তিমন্ত্ৰী…



**বিশেষ প্ৰতিবেদক, ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ দৰিদ্ৰ তথা আৰ্থিকভাৱে দুৰ্বল ৰোগীসকললৈ সকাহ দিয়াৰ উদ্দেশ্যে ডিব্ৰুগড় বিধানসভা সমষ্টিত আজি পুনৰ মুখ্যমন্ত্ৰী সাহায্য… পুঁজিৰ চেʼক বিতৰণ কৰা হয়।… তথা ৰাজ্যিক কেবিনেট মন্ত্ৰী প্ৰশা… সমষ্টিটোৰ অন্তৰ্গত ৫১ গৰাকী… ৰোগত আক্ৰান্ত ব্যক্তিক এই সা…

## নৱগ্ৰহ মন্দিৰত বাৰ্ষিক যজ্ঞানুষ্ঠা…

**ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ খনিয়া গাঁওস্থিত সাৰ্বজনীন নৱগ্ৰহ মন্দি… ফেব্ৰুৱাৰী দ্বাদশ বাৰ্ষিক যজ্ঞানুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পু… সভাপতিয়ে পতাকা উত্তোলন কৰাৰ পিছতে স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হ… ১০ বজাৰ পৰা আৰম্ভ হ'ব পূজা। গতিকে সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কাম… পৰিচালনা সমিতিৰ সভাপতি ভবেশ চন্দ্ৰ বৰদলৈ আৰু সম্পাদক মানস কুমাৰ ব…